অসম

# হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত শিক্ষক মহম্মদ নুৰুল ইছলাম চৌধুৰীৰ দেহাৱসান

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৭



Retired Howraghat teacher Mohammad Nurul Islam Choudhury dies (NewzNow)

হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত হিন্দী শিক্ষক মহম্মদ নুৰুল ইছলাম চৌধুৰীৰ পৰলোকপ্রাপ্তি ঘটিছে। যোৱা ১৭ নৱেম্বৰৰ নিশা ১১.৩০ বজাত তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। তেখেতৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

দীর্ঘদিন ধৰি হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিষ্ঠা আৰু সততাৰে শিক্ষকতা কৰা মহম্মদ নুৰুল ইছলাম চৌধুৰীয়ে ২০০৯ চনৰ ১ নৱেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্রহণ কৰিছিল। বিদ্যালয়খনৰ শৈক্ষিক ক্ষেত্রখনলৈ তেখেতে আগবঢ়োৱা অৱদান সহকর্মীসকলৰ লগতে ছাত্র-ছাত্রীৰ মাজত স্মৰণীয় হৈ ৰ'ব।

তেখেতৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছতে বুধবাৰে বিদ্যালয়খনৰ তৰফৰ পৰা এটি প্রতিনিধি দল তেখেতৰ বাসগৃহত উপস্থিত হয়। প্রতিনিধি দলটোত শিক্ষক কৃষ্ণ সাহা, হোমেশ্বৰ কলিতা, মকবুল হুছেইন মজুমদাৰ আৰু শিক্ষয়িত্রী সবিতা সন্দিকৈয়ে উপস্থিত থাকি প্রয়াত শিক্ষকগৰাকীৰ নশ্বৰ দেহত শেষ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে।

ইফালে, বিদ্যালয়খনৰ শিক্ষক-কর্মচাৰী আৰু ছাত্র-ছাত্রীসকলে এক মিনিট মৌন প্রার্থনা কৰি প্রয়াত শিক্ষকগৰাকীলৈ শ্রদ্ধাঞ্জলি নিবেদন কৰে। বিদ্যালয়খনৰ শৈক্ষিক দিশৰ উত্তৰণত তেখেতে আগবঢ়োৱা দীর্ঘদিনীয়া

আৰু অমূল্য সেৱা সদায় শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে স্মৰণীয় হৈ ৰ'ব বুলি বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দেবেন্দ্ৰ শৰ্মাই উল্লেখ কৰে।

লগতে সৰ্বশক্তিমান ঈশ্বৰৰ ওচৰত বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক এই অপূৰণীয় ক্ষতি সহ্য কৰিবলৈ শক্তি আৰু সাহস প্ৰদানৰ বাবে প্ৰাৰ্থনা জনায়।

---

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4188/haoraghat-ussotor-madhyomik-bidyaloyor-awosoroprapt-siksok-mohommod-nurul-isolam